**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। ভাৰতক বিশ্বৰ ব্যৱসায় আৰু জ্ঞানৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আহ্বান জনাইছে।

২। যুৱ প্ৰজন্মৰ দক্ষতা বিকাশ আৰু নিয়োগৰ লক্ষ্যৰে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে এটা ব্যক্তিগত কোম্পানীৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৩। বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে আজি অসমত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

৪। ইজৰাইলে গাজাত যুদ্ধ বিৰতিৰ বাবে আমেৰিকাই দিয়া প্ৰস্তাৱ গুৰুত্বসহকাৰে বিবেচনা কৰাৰ ফলত ইজৰাইলী পণবন্দীসকলৰ মুক্তি নিশ্চিত বুলি আশা কৰা হৈছে।

আৰু

৫। জনসাধাৰণৰ সৱলীকৰণৰ ক্ষেত্ৰত সাক্ষৰতা মূল চাবিকাঠি বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আন্তঃৰাষ্ট্ৰীয় সাক্ষৰতা দিৱস উপলক্ষে দিয়া বাৰ্তাত প্ৰকাশ কৰিছে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতক পুনৰ বিশ্বৰ ব্যৱসায় আৰু জ্ঞানৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ দেশৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে নতুন দিল্লীত অভিযান্ত্ৰিক ৰপ্তানি বিকাশ পৰিষদ ই ই পি চিৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানত দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় অৰ্থনীতি আত্মনিৰ্ভৰ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ৰপ্তানিৰ ক্ষেত্ৰত উন্নয়ন সাধনৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে কোভিডৰ প্ৰাদুৰ্ভাৱৰ সময়ত আত্মনিৰ্ভৰ ভাৰতৰ আধাৰশিলা স্থাপন কৰা হৈছিল আৰু এই প্ৰক্ৰিয়াই এতিয়াও সুফল দি আছে। তেওঁ লগতে কয়, যে গোলকীয় অস্থিৰতাৰ নেতিবাচক প্ৰভাৱ দেশৰ অৰ্থনীতিত বিস্তাৰ নোহোৱাটো আত্মনিৰ্ভৰ ভাৰতৰ আটাইতকৈ ডাঙৰ সুফল হিচাপে বিবেচিত হৈছে।

ooooooooo

শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে দেশৰ যুৱ প্ৰজন্মৰ দক্ষতা বিকাশ আৰু নিয়োগৰ সুবিধা বৃদ্ধিৰ লক্ষ্যৰে আজি নতুন দিল্লীত এটা ব্যক্তিগত কোম্পানীৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত ড০ মন্দাভিয়াই এখন শক্তিশালী আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ ক্ষেত্ৰত নিয়োগ সৃষ্টি আৰু জীৱিকাৰ সুবিধা প্ৰদান দুটা গুৰুত্বপূৰ্ণ স্তম্ভ বুলি অভিহিত কৰে। তেওঁ কয়, যে এনে ধৰণৰ ব্যক্তিগত কোম্পানীৰ সৈতে সমন্বয় ৰক্ষা কৰি গ্ৰহণ কৰা পদক্ষেপে বৃহৎ সংখ্যক নিয়োগ প্ৰত্যাশীক

চাকৰিৰ সুবিধা দিয়াৰ লগতে দেশৰ কৃষি আন্তঃগাঁথনি আৰু সেৱা খণ্ডক শক্তিশালী কৰি ভাৰতৰ অৰ্থনীতিৰ সৰলীকৰণ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৫১ লাখৰো অধিক যুৱক-যুৱতীৰ নাম পঞ্জীয়ন, ৪৬ লাখ খালী পদ সৃষ্টি আৰু ২৮ লাখ আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰৰ নিয়োগৰ সুবিধা প্ৰদানেৰে ৰাষ্ট্ৰীয় কেৰিয়াৰ চাৰ্ভিছ প'ৰ্টেলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত আইঅ'ৱাৰ গৱৰ্ণৰ কিম ৰেনল্ডছক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে এই বৈঠকৰ বিষয়ে উল্লেখ কৰে। এই বৈঠকত ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰ্থনৈতিক সম্পৰ্ক আৰু ইয়াৰ সম্ভাৱনা সন্দৰ্ভত আলোচনা কৰা হয় বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে।

০০০০০০০০০

বিশ্ববৰেণ্য শিল্পী ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি আজি বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মানৱতা আৰু সমন্বয়ৰ বাৰ্তাৰে বিশ্বৰ বুকুত সাঁচ ৰাখি থৈ যোৱা গণ শিল্পীগৰাকীৰ জন্মদিনত আজি শদিয়াৰ পৰা ধুবুৰীলৈ তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি জালুকবাৰীৰ ভূপেন হাজৰিকা সমন্বয় তীৰ্থত স্মৃতি তৰ্পন আৰু সাংস্কৃতিক অনুষ্ঠানেৰে সুধাকণ্ঠৰ জন্মশতবাৰ্ষিকীৰ উদ্বোধন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ড০ ভূপেন হাজৰিকাৰ গীতসমূহ যথাৰ্থতে সমাজৰ নিপীড়িতসকলৰ আশা-আকাংশা আৰু সাধাৰণৰ মানুহৰ সপোনৰ বাহক আছিল বুলি উল্লেখ কৰে। মানৱীয় প্ৰমূল্যৰে মহা অনুষ্ঠান সদৃশ ব্যক্তিত্বৰে ভূপেন হাজৰিকাই তেখেতৰ কৰ্মৰাজীৰ জৰিয়তে অসম ভূমিক বিশ্বৰ বুকুলৈ কঢ়িয়াই নিয়াৰ উপৰি নতুন পৰিচয়ো গঢ়ি তুলিছিল বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

অসম সাহিত্য সভাই শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে স্বীকৃতিপ্ৰাপ্ত ৩৩খন জিলা সাহিত্য সভা আৰু এহেজাৰখন শাখা সাহিত্য সভাৰ জৰিয়তে আজিৰেপৰা ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ উপৰি দেশে-বিদেশে থকা শাখা সাহিত্য সভাসমূহৰ উদ্যোগতো কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

গুৱাহাটী মহানগৰীতো শিল্পীগৰাকীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি কালিৰেপৰা বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সদৌ অসম ছাত্ৰ সন্থাই সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বছৰজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। এই উপলক্ষে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তেজপুৰত আজি **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতেৰে **মানৱ শৃংখল আৰু শতাব্দীৰ সুবাস** শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

মঙলদৈত আজি শিল্পীগৰাকীৰ জন্ম দিন উপলক্ষে চাৰি শতাধিক নবীন-প্ৰবীণ আবৃত্তিকাৰে **মৃত্যু জিনাৰ গান** কবিতাটি আবৃত্তি কৰিব। গোৱালপাৰা মহাবিদ্যালয়ত আজি ডেৰ শতাধিক আবৃত্তিকাৰে 'মৃত্যু জিনাৰ গান' কবিতাটি পৰিৱেশন কৰিব। কামৰূপ জিলাত এই উপলক্ষে মানৱ শৃংখল আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০০০

ইজৰাইলে গাজাত যুদ্ধ বিৰতিৰ বাবে আমেৰিকাই দিয়া প্ৰস্তাৱ গুৰুত্বসহকাৰে বিবেচনা কৰি আছে আৰু ইয়াৰ ফলত ইজৰাইলী পণবন্দীসকলৰ মুক্তি নিশ্চিত হ'ব বুলি আশা কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা সপ্তাহৰ শেষৰ ফালে হামাছক এই সন্দৰ্ভত পৰিকল্পনা দাখিল কৰা হৈছিল আৰু এয়া ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ প্ৰস্তাৱ বুলি অনুমান কৰা হৈছে। এই অনুসৰি গাজাত পণবন্দী হৈ থকা ৪৮ জনক চুক্তিৰ প্ৰথম দিনাই হাজাৰ হাজাৰ পেলেষ্টাইনী বন্দীৰ বিনিময়ত মুকলি কৰি দিয়া হ'ব। ইয়াৰ পাছতে ডোনাল্ড ট্ৰাম্পৰ মধ্যস্থতাত যুদ্ধৰ অন্ত পেলোৱাৰ বাবে আলোচনা প্ৰক্ৰিয়া আৰম্ভ হ'ব। আলোচনা চলি থকাৰ সময়ত যুদ্ধ বিৰতি অব্যাহত থাকিব। হামাছে কালি এটা বিবৃতিত প্ৰকাশ কৰা মতে তেওঁলোকে আমেৰিকাৰ পৰা এই সন্দৰ্ভত কেইটাবাও প্ৰস্তাৱ লাভ কৰিছে আৰু যুদ্ধৰ অন্ত পেলোৱাৰ বাবে স্পষ্ট ঘোষণাৰ বিনিময়ত সকলো বন্দীক মুক্তিৰ বিষয়ে আলোচনা কৰিবলৈ সাজু হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ট্ৰাম্পে কয়, যে ইজৰাইলীসকলে তেওঁৰ প্ৰস্তাৱ মানি লৈছে আৰু হামাছৰ বাবে এই প্ৰস্তাৱ মানি লোৱাৰ সময় সমাগত। এই প্ৰস্তাৱ অস্বীকাৰ কৰিলে পৰিনাম ভুগিব লাগিব বুলিও তেওঁ সকীয়াই দিয়ে।

ooooooooo

আজি আন্তঃৰাষ্ট্ৰীয় সাক্ষৰতা দিৱস। ১৯৬৬ চনৰ ২৬ অক্টোবৰত ইউনেস্কোই এই দিৱস পালনৰ বিষয়ে ঘোষণা কৰিছিল আৰু ১৯৬৭ চনত পথমবাৰৰ বাবে এই দিৱস পালন আৰম্ভ কৰা হৈছিল। ইউনেস্কোৰ সাক্ষৰতা সম্পৰ্কীয় গোলকীয় নিৰীক্ষণ প্ৰতিবেদন অনুসৰি বিশ্বৰ পাঁচ গৰাকী প্ৰাপ্ত বয়স্কৰ ভিতৰত এগৰাকী এতিয়াও সাক্ষৰ নহয় ইয়াৰে দুই-তৃতীয়াংশ মহিলা। ভাৰততো আজি সাক্ষৰতা দিৱসৰ কাৰ্যসূচী লোৱা হৈছে। এই দিনটোত শিক্ষা ক্ষেত্ৰৰ নীতি প্ৰণেতা, শিক্ষাবিদ আৰু জনসাধাৰণক এখন বহনক্ষম সমাজ গঢ় দিয়াৰ বাবে সজাগ কৰাৰ প্ৰয়াস কৰা হয়। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সাক্ষৰতা দিৱস উপলক্ষে দিয়া বাৰ্তাত জনসাধাৰণৰ সৱলীকৰণৰ ক্ষেত্ৰত সাক্ষৰতা মূল চাবিকাঠি বুলি উল্লেখ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ULLAS পদক্ষেপে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি মন্তব্য কৰে।

ooooooooo

জম্মু-কাশ্মীৰৰ আৰ এছ পুৰা খণ্ডৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত যোৱা নিশা এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰোৱা হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে পাকিস্তানৰ পঞ্জাব প্ৰদেশৰ ছৰগোধাৰ ছিৰাজ খান নামৰ এই লোকজনক সীমান্ত সুৰক্ষা বাহিনীয়ে যোৱা নিশা প্ৰত্যক্ষ কৰে। সীমান্তৰ বেৰৰ ওচৰত গ্ৰেপ্তাৰ কৰা লোকজনৰ পৰা বুজন পৰিমাণৰ পাকিস্তানী নোট জব্দ কৰা হৈছে।

ooooooooo

প্ৰতিকূল বতৰ আৰু ভূমি স্খলনৰ বাবে জম্মু-কাশ্মীৰৰ ৰিয়াছি জিলাৰ ত্ৰিকূট পৰ্বতৰ শীৰ্ষত থকা মাতা বৈষ্ণদেৱী মন্দিৰলৈ তীৰ্থ যাত্ৰা ১৪ ধৰি স্থগিত হৈ আছে। আমাৰ আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা মতে স্থানীয় কৰ্তৃপক্ষই নেৰানেপেৰা বৰষুণৰ লগতে ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত মন্দিৰলৈ যোৱা পথসমূহ বন্ধ হৈ পৰাৰ প্ৰতি লক্ষ্য ৰাখি এই তীৰ্থযাত্ৰা বন্ধ ৰাখিবলগীয়া হৈছে। প্ৰশাসনে পথসমূহেৰে যাতায়াত সূচল কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বতৰ অনুকূল হোৱাৰ পাছত আৰু পথসমূহ যাতায়াতৰ বাবে উপযোগী হোৱাৰ লগে লগে এই যাত্ৰা পুনৰ আৰম্ভ হ'ব। ইপিনে দীৰ্ঘদিন ধৰি এই যাত্ৰা বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হোৱাৰ উপৰি স্থানীয় ব্যৱসায়ীসকলৰ ক্ষতি হৈছে। প্ৰশাসনে জনসাধাৰণ আৰু তীৰ্থ যাত্ৰীসকলক ধৈৰ্য্য ধৰাৰ লগতে পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত মন্দিৰ অভিমুখে যাত্ৰা নকৰিবলৈ সকীয়াই দিছে।

০০০০০০০০০

মণিপুৰত সুৰক্ষা বাহিনীয়ে চলোৱা তালাচী অভিযানত কালি পৃথক উগ্ৰপন্থী সংগঠনৰ ছজন সদস্যক গ্ৰেপ্তাৰ কৰা হয়। মণিপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা মতে উগ্ৰপন্থী সংগঠন পি এল এৰ দুজন, কে চি পি আৰু ইউ এন এল এফৰ এজনকৈ সদস্যক আৰক্ষীয়ে ভাৰত-ম্যানমাৰ সীমান্তৰ সমীপৰ টেনোপল জিলাত গ্ৰেপ্তাৰ কৰে। আন এটা অভিযানত উগ্ৰপন্থী সংগঠন কে চি পিৰ দুজন সদস্য পশ্চিম ইম্ফল জিলাৰ লিলং চেজিং মামাং অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। সুৰক্ষা বাহিনীয়ে পশ্চিম ইম্ফল জিলাত চলোৱা অভিযান কালত দুটা ৰাইফল, এটা ৰিভলভাৰ, এটা পিষ্টল, দুটা আই ই ডি বিস্ফোৰককে ধৰি ভালেমান অস্ত্ৰ-শস্ত্ৰ আৰু আপত্তিজনক সামগ্ৰী জব্দ কৰে। সুৰক্ষা বাহিনীয়ে লগতে পূব ইম্ফল জিলাৰ খাবাম লাংখাই অঞ্চলৰ পৰা ৫০ কিলোগ্ৰাম ভাং জব্দ কৰে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ কুলগাম জিলাৰ গাড্ডাৰ বনাঞ্চলত চি আৰ পি এফ আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানত এজন অচিনাক্ত সন্ত্ৰাসবাদী নিহত হয়। সেনাবাহিনীৰ মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি দুয়োপক্ষৰ মাজত চলা গুলীয়াগুলীত এগৰাকী সেনা বাহিনীৰ বিষয়া আহত হৈছে। বনাঞ্চলত সন্ত্ৰাসবাদী উপস্থিতি সন্দৰ্ভত লাভ কৰা বিশেষ তথ্যৰ ভিত্তিত সেনা বাহিনীয়ে এই অভিযান চলায়। এই অভিযান এতিয়াও অব্যাহত আছে বুলি সংবাদ সংস্থাই প্ৰকাশ কৰিছে।

০০০০০০০০০

সমাপ্ত